# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-OCT-2026
**Time :** 6-00 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। শিশুৰ স্বাস্থ্যজনিত সমস্যা চিনাক্তকৰণৰ লক্ষ্যৰে গুৱাহাটীত দ্বিতীয় পৰ্যায়ৰ ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচী।

২। অসম আৰু অৰুণাচলৰ সীমা বিবাদ সন্দৰ্ভত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত বিশ্বনাথত বৈঠক।

৩। বেংকসমূহক উত্তৰ-পূবৰ উন্নয়নৰ বাবে দূৰণীবৰ্তীয়া অঞ্চলসমূহত সংযোগ সাধন কৰি সেৱা আগবঢ়াবলৈ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ আহ্বান। *আৰু*

৪। হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অন্ধ্ৰপ্ৰদেশ আৰক্ষীৰ দল অসমত উপস্থিত।

ooooo

গুৱাহাটীৰ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত আজি দ্বিতীয় পৰ্যায়ৰ ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে হাস্পতালখনত এই কাৰ্যসূচীৰ লগতে দিনজোৰা ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালাৰ শুভাৰম্ভ কৰে। শিশুৰ স্বাস্থ্যজনিত সমস্যাসমূহ সময়মতে চিনাক্ত কৰি উপযুক্ত চিকিৎসা প্ৰদান কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ইয়াৰ জৰিয়তে জন্মগত বিসংগতি, পুষ্টিহীনতা, বিভিন্ন ৰোগ আৰু বিকাশত হোৱা বিলম্বৰ আগতীয়া চিনাক্তকৰণৰ দ্বাৰা চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। শিশুৰ সুস্বাস্থ্যৰ বাবে কেৱল চিকিৎসা ব্যৱস্থাই নহয় বিদ্যালয়, পৰিয়াল আৰু সমাজৰ সক্ৰিয় সহযোগিতাৰ প্ৰয়োজন বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন সঞ্চালক ডা০ লক্ষ্মণন এছ, চিকিৎসা শিক্ষা সঞ্চালক ডা০ মনোজ কুমাৰ চৌধুৰী আৰু প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অধ্যক্ষ ডা০ বসন্ত কুমাৰ বৈশ্য উপস্থিত থাকে।

মন্ত্ৰী শ্ৰীসিংহলে চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজ আৰু আন্তঃগাঁথনিৰো বুজ লয়। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ বিভাগৰ অধীনত চলি থকা বিভিন্ন আঁচনি, কাৰ্যসূচী আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। শ্ৰীসিংহলে জনসাধাৰণৰ বাবে সুলভ আৰু গুণগত স্বাস্থ্যসেৱা সুনিশ্চিত কৰাৰ উপৰি ইয়াৰ মান উন্নত কৰাৰ বাবে বিভাগীয় কাম-কাজ দক্ষতাৰে ৰূপায়ণত গুৰুত্ব আৰোপ কৰে।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ সৰ্বাঙ্গীন উন্নয়নক নতুন গতি দিয়াৰ লক্ষ্যৰে অভিভাৱক মন্ত্ৰী পিযুষ হাজৰিকাই আজি জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ সূচনা কৰে। ইয়াৰ লগতে কৃষি মন্ত্ৰীগৰাকীয়ে জিলাখনৰ প্ৰশাসনীয় বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ তুলিৰাম ৰংহাং, বিধানসভাৰ উপাধ্যক্ষ ড° হাবে তেৰণৰ লগতে জিলাখনৰ শীৰ্ষ বিষয়াবৰ্গৰ উপস্থিতিত অনুষ্ঠিত বৈঠকখনত জিলাখনৰ প্ৰচুৰ কৃষি সম্ভাৱনাৰ সৎব্যৱহাৰ কৰি শস্যৰ বৈচিত্ৰকৰণত গুৰুত্ব দিয়া হয়। ইয়াৰ লগতে জলসিঞ্চন ব্যৱস্থাৰ সম্প্ৰসাৰণ, পথ নিৰ্মাণ, আৰু মহাবিদ্যালয়সমূহৰ

আন্তঃগাথনিৰ উন্নয়নকে ধৰি ভালেমান জনকল্যাণমূলক আঁচনিৰ বিষয়েও এই  বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰীহাজৰিকাই বিভিন্ন বিভাগসমূহৰ মাজৰ আন্তঃসমন্বয়ৰ  বিষয়তো গুৰুত্ব প্ৰদান কৰে।

বাইট-পিযুষ

ইফালে ৰাজ্যত জলফাই খেতিৰ সম্ভাৱনা অন্বেষণৰ লক্ষ্যৰে কৃষি আৰু জলসিঞ্চন মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ সাৰোগাঁৱত এটি জলফাই পুলি ৰোপণ কৰি বিশেষ পৰীক্ষামূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে।

এই প্ৰকল্পৰ অধীনত ৰাজস্থানৰ পৰা প্ৰায় ১৬ হাজাৰ জলফাইৰ পুলি আনি ৰোপণ কৰাৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে প্ৰতি বিঘা মাটিত বছৰি প্ৰায় ৭০০ কিলোগ্ৰাম জলফাই উৎপাদন আৰু কৃষকসকলৰ বছৰি বিঘাই প্ৰতি ডেৰ লাখ টকাতকৈ অধিক উপাৰ্জন হোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰীয় খোৱাতেল অভিযান তৈলবীজ ২০২৫-২৬ ৰ অধীনত আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ কাহিকুছিস্থিত উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ সহযোগত গ্ৰহণ কৰা পদক্ষেপৰ মূল লক্ষ্য হৈছে অসমৰ জলবায়ু তথা মাটি জলফাই খেতিৰ উপযোগিতা পৰীক্ষা কৰা আৰু কৃষিক্ষেত্ৰত শস্যৰ বিবিধতাৰ জৰিয়তে কৃষকসকলৰ জীৱিকা সুদৃঢ় কৰা। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে পশ্চিম কাৰ্বি আংলং জিলাৰ ৰংখাং সমষ্টিৰ কলঙা বোৰতি জলসিঞ্চন আঁচনি পৰিদৰ্শন কৰে।

০০০০০

সেৱা সংকল্প অভিযানৰ অধীনত আজি ৰাজ্যৰ বিভিন্ন জিলাত আশাকৰ্মী আৰু চুপাৰভাইজাৰসকলৰ নিষ্ঠা, কৰ্মদক্ষতা, জনস্বাস্থ্য সেৱাৰ প্ৰতি থকা অৱদানক স্বীকৃতি প্ৰদান কৰা হয়। এই উদ্দেশ্যেৰে   আজি গোলাঘাটত ২৯৯ গৰাকী আশা কৰ্মী আৰু ১৯ গৰাকী চুপাৰভাইজাৰক এককালীন আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগে  তৃণমূল পৰ্যায়ত স্বাস্থ্য সেৱা প্ৰদান, মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষা, বিভিন্ন স্বাস্থ্য কাৰ্যসূচী ৰূপায়ণ আৰু জনসাধাৰণৰ মাজত স্বাস্থ্য সজাগতা সৃষ্টিৰ ক্ষেত্ৰত আশাকৰ্মীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্তব্য কৰে।

বাইট-অজন্তা নেওগ

বৰপেটা আৰু বজালী জিলাৰ অন্তৰ্গত ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিৰ কৰ্মী আৰু চুপাৰভাইজাৰসকলকো আজি সেৱা সংকল্প অভিযানৰ অধীনত  এককালীন প্ৰেৰণাদায়ক মাননী আৰু প্ৰশংসাপত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে হাউলী সাহিত্য সভা ভৱনত আয়োজিত এটা অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সেৱা সংকল্প অভিযান অধীনত আশাকৰ্মীসকলক সন্মান প্ৰদৰ্শনৰ জৰিয়তে তেওঁলোকৰ সেৱাক প্ৰকৃত স্বীকৃতি দিয়া হৈছে বুলি শ্ৰীদাসে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ লগতে এই সন্মানে কৰ্মীসকলক অধিক উৎসাহেৰে স্বাস্থ্য সেৱাত নিয়োজিত হ'বলৈ অনুপ্ৰাণিত কৰিব বুলিও মন্তব্য কৰে। এই অনুষ্ঠানটোত হাউলী পৌৰ সভাৰ সভানেত্ৰী, বজালী জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ লগতে স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়াসকল উপস্থিত থাকে।

০০০০০

অসম আৰু অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমা সন্দৰ্ভত আলোচনা কৰাৰ বাবে শিক্ষা তথা ভৈয়াম জনজাতি পৰিক্ৰমা মন্ত্ৰী ডা০ ৰণোজ পেগু বিশ্বনাথ চাৰিআলিত এখন বৈঠকত মিলিত হয়। মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থকা এই বৈঠকত অৰুণাচলৰ পাপুমপাৰে জিলা আৰু বিশ্বনাথ তথা লখিমপুৰ জিলাৰ সীমামূৰীয়া অঞ্চলত থকা বিবদমান বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত দুয়ো ৰাজ্যৰ সীমান্ত সম্পৰ্কীয় বিষয় আলোচনাৰ বাবে গঠিত আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। কাৰ্যসূচীত পাপুমপাৰেৰ আঞ্চলিক সমিতিৰ অধ্যক্ষ বালো ৰাজা, অসমৰ সাংসদ ৰঞ্জিত দত্ত আৰু দুয়োখন ৰাজ্যৰ কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। এই বৈঠকত প্ৰতিবেশী ৰাজ্য দুখনৰ সীমা সম্পৰ্কীয় বিষয় আলাপ-আলোচনা আৰু বুজাবুজিৰ মাধ্যমেৰে সমাধান কৰাৰ লগতে নামচাই ঘোষণা পত্ৰ অনুসৰি শান্তিপূৰ্ণ আলোচনা অব্যাহত ৰখাৰ বাবে দুয়ো পক্ষই সহমতত উপনীত হয়। তদুপৰি পূৰ্বৰ

বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ মানি চলাৰ বাবেও দুয়োপক্ষই আলোচনা কৰে। সীমান্ত অঞ্চলৰ ২২ খন গাঁৱৰ সৰু-সৰু বিবদমান বিষয়সমূহ দ্বিপাক্ষিকভাৱে দুয়ো ৰাজ্যৰ সীমামূৰীয়া জিলাৰ আয়ুক্তৰ মাধ্যমেৰে নিষ্পত্তি কৰাৰ সিদ্ধান্ত লোৱা হয়।

০০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই বেংকসমূহক উত্তৰ-পূবৰ উন্নয়নৰ বাবে দূৰণীবতীয়া অঞ্চলসমূহত সংযোগ সাধন কৰি সেৱা আগবঢ়াবলৈ আহ্বান জনাইছে। আইজলৰ মিজোৰাম বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত উত্তৰ-পূৰ্বাঞ্চলৰ বেংক বিষয়াৰ তৃতীয় অভিৱৰ্তনত দিয়া ভাষণত শ্ৰীসিন্ধিয়াই কয় যে দেশৰ বিকাশৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াব পৰাকৈ উত্তৰ-পূৰ্বাঞ্চলৰ অপৰিসীম সম্ভাৱনা আছে। সেয়েহে অঞ্চলটোৰ স্থানীয় লোকসকলৰ হিতৰ বাবে সেৱা আগবঢ়াবলৈ তেওঁ বেংকসমূহক আহ্বান জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে ভালেমান পদক্ষেপ লৈছে। মিজোৰামত সাক্ষৰতাৰ হাৰ প্ৰায় ১০০ শতাংশ হোৱাৰ বাবে প্ৰশংসা কৰি তেওঁ কয় যে ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য, অনুকূল জলবায়ু আৰু পৰিৱেশে পৰ্যটকসকলক আকৰ্ষণ কৰি আহিছে। মিজোৰামৰ উন্নয়নৰ ক্ষেত্ৰত চাইৰাঙলৈ ৰে'ল সেৱাৰ সম্প্ৰসাৰণ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অভিহিত হৈছে। বৈৰৱী-চাইৰাং ৰে'ল পথছোৱাই যাত্ৰা সুচল কৰি তোলাৰ লগতে দেশৰ অন্যান্য প্ৰান্তৰ লগতে যোগাযোগ উন্নত কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কৃষকসকলৰ উপাৰ্জন উন্নত কৰাৰ ক্ষেত্ৰত বেংকসমূহৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে দেশৰ অন্যান্য প্ৰান্তত ডিজিটেল লেনদেন ৮১ শতাংশ হোৱাৰ বিপৰীতে উত্তৰ-পূবত এই লেনদেন ৯০ দশমিক ২ শতাংশ হৈছে। এই কথাই অঞ্চলটোত ডিজিটেল প্ৰযুক্তিৰ বিকাশ হোৱাৰ কথাটোকে সূচায় বুলি তেওঁ মন্তব্য কৰে। এই অনুষ্ঠানত ড'নাৰ মন্ত্ৰালয়ৰ সচিব কে শ্ৰীনিৱাসে উত্তৰ-পূবৰ ৰাজ্যসমূহক ব্যৱসায়-বাণিজ্যত অগ্ৰগতি কৰিব পৰাকৈ বেংকসমূহক সহায় আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালডুৱ'মাই কয় যে চৰকাৰী আৰু বেংকসমূহৰ মাজত সহযোগিতা শক্তিশালী কৰি জনসাধাৰণক উপকৃত কৰাৰ বাবে এই অভিৱৰ্তনৰ আয়োজন কৰা হৈছে।

০০০০০

বহিঃৰাজ্যত নৃত্যানুষ্ঠান কৰিবলৈ যোৱা হিমাশ্ৰী বড়োৰ ৰহস্যজনক ঘটনা সন্দৰ্ভত তদন্তৰ বাবে অন্ধ্ৰপ্ৰদেশ আৰক্ষীৰ এটা দল অসমত আহি উপস্থিত হৈছে। আজি গুৱাহাটীত পানীখাইটি আৰক্ষী চকীত উপস্থিত হোৱা দলটোৱে যুৱতীগৰাকীৰ সন্দৰ্ভত তথ্য সংগ্ৰহ কৰিব। ৪ জনীয়া আৰক্ষীৰ দলটোৱে হিমাশ্ৰী বড়োৰ পিতৃ, ভগ্নী আৰু আত্মীয়ৰ ভাষ্য গ্ৰহণ কৰিব। উল্লেখযোগ্য যে যোৱা ৬ অক্টোবৰত বিশাখাপট্টনমৰ পৰা অসম অভিমুখী ৰে'লত আহি থকা অৱস্থাত দুৰ্বৃত্তই যুৱতীগৰাকীক হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছে। অন্ধ্ৰপ্ৰদেশত বদ্দেপল্লি আৰু পেনুৱাৰ্থি ৰে'লৱে ষ্টেছনৰ সমীপত তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত অসম আৰক্ষীৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ আৰক্ষীয়েও এই সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

০০০০০

সমাপ্ত